**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-05-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১।	কাইলৈ দেশৰ ৮খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭ টা সমষ্টিত হ'বলগীয়া সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ স্বচ্ছ আৰু নিকা পদ্ধতিৰে সম্পন্ন হোৱাটো সুনিশ্চিত কৰাৰ বাবে নিৰ্বাচন আয়োগে ব্যৱস্থা গ্ৰহণ কৰিছে।

২।	অসমতো অহা ৪ জুনত হ'বলগীয়া ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

৩।	আয়কৰ বিভাগে সাম্প্ৰতিক লোকসভা নিৰ্বাচনৰ সময়ছোৱাত অভিলেখ পৰিমাণৰ নগদ ধন এহেজাৰ ১০০ কোটি টকা আৰু আ-অলংকাৰ জব্দ কৰিছে।

৪।	মধ্য ভাৰত আৰু দেশৰ উত্তৰ-পশ্চিম অংশত চলি থকা প্ৰৱল গ্ৰীষ্ম প্ৰৱাহ আজিৰ পৰা লাহে লাহে হ্ৰাস পাব বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

আৰু

৫।	বিহাৰত গ্ৰীষ্ম প্ৰৱাহৰ ফলত ২৯ গৰাকী লোক মৃত্যুমুখত পৰিছে।

০০০০০০০

অষ্টাদশ লোকসভা নিৰ্বাচনৰ কাইলৈ সপ্তম তথা অন্তিম পৰ্যায়ত ৮খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭ টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত মুঠ ৯০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩ খনকৈ, পশ্চিমবংগৰ ৯ খন, বিহাৰৰ ৮ খন, ওড়িশাৰ ছখন, হিমাচল প্ৰদেশৰ ৪ খন, ঝাৰখণ্ডৰ ৩ খন আৰু চণ্ডীগড়ৰ এখন সংসদীয় আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা হ'ব। কাইলৈ পুৱা ১০ বজাত ভোটগ্ৰহণ আৰম্ভ হ'ব। এই পৰ্যায়ত ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জী, পঞ্জাৱৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা চৰণজিৎ সিং চান্নী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী হৰছিমৰাৎ কৌৰ বাদল, আৰ জে দি নেতা লালুপ্ৰসাদ যাদৱৰ কন্যা মিছা ভাৰতী, কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ, অভিনেত্ৰী কংগনা ৰাণাৱট আদি। সংশ্লিষ্ট অঞ্চলসমূহত স্বচ্ছ আৰু নিকা পদ্ধতিৰে ভোটগ্ৰহণ অনুষ্ঠিত হোৱাটো সুনিশ্চিত কৰিবলৈ নিৰ্বাচন আয়োগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জ্যেষ্ঠ নাগৰিক তথা দিব্যাংগসকলকে ধৰি প্ৰতিগৰাকী ভোটদাতাৰ ভোটদানৰ সুচলতা সুনিশ্চিত কৰাৰ বাবে বিশ্ৰামস্থলৰে পৰা আৰম্ভ কৰি খোৱাপানীৰ সু-ব্যৱস্থা, দিব্যাংগ লোকসকলৰ যাতায়াতৰ সুচলতাৰ বাবে ৰেম্প, অনাময় ব্যৱস্থাকে ধৰি বিদ্যুৎ যোগান আদি সকলো দিশতে আয়োগে গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু সংশ্লিষ্ট সকলোকে গ্ৰীষ্ম প্ৰৱাহৰ পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। ভোটগ্ৰহণ হ'বলগীয়া অঞ্চলসমূহত উদ্ভৱ হ'ব পৰা যিকোনো অপ্ৰীতিকৰ পৰিস্থিতি এৰাই চলিবলৈ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০০০০০

অসমৰ ৫০ খন নিৰ্বাচনী জিলাত স্থাপিত ৫২ টা ভোটগণনা কেন্দ্ৰত অহা ৪ জুনত হ'বলগীয়া ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি এই কথা প্ৰকাশ কৰে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে গুৱাহাটীত সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে পুৱা ৮ বজাত আৰম্ভ হ'বলগীয়া ভোট গণনাৰ বাবে মুঠ ৫ হাজাৰ ৮২৩ গৰাকী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। ভোটগণনা স্বচ্ছ পদ্ধতিৰে সম্পন্ন কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে ৬৪ গৰাকী সাধাৰণ পৰ্যবেক্ষকক নিযুক্তি দিছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

শ্ৰী গোৱেলে লগতে কয় যে মুঠ ৫২ টা ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ৯৪১ খন ভোটগণনাৰ মেজৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, আজিৰ দিনটোলৈ ৰাজ্যৰ ১৪ গৰাকী ৰিটাৰ্নিং বিষয়াই ১ লাখ ২৮ হাজাৰ ২৯৯ খন ডাক-বেলট লাভ কৰিছে বুলি জানিবলৈ দি তেওঁ লগতে কয় যে যোৰহাট লোকসভা সমষ্টিত সৰ্বাধিক সংখ্যক ডাক বেলট লাভ কৰা হৈছে।

০০০০০০০

আয়কৰ বিভাগে সাম্প্ৰতিক লোকসভা নিৰ্বাচনৰ সময়ছোৱাত বৰ্তমানলৈ অভিলেখ পৰিমাণৰ নগদ ধন এহেজাৰ ১০০ কোটি টকা আৰু আ-অলংকাৰ জব্দ কৰিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে ২০১৯ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ৰ তুলনাত এই পৰিমাণ ১৮২ শতাংশ অধিক। বিভাগীয় তথ্য অনুসৰি পূৰ্বৰ নিৰ্বাচনটোৰ সময়ত জব্দ কৰা নগদ ধনৰ পৰিমাণ আছিল ৩৯০ কোটি টকা।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পৰিয়ালৰ সদস্যসকলৰ সৈতে তিৰুমালা মন্দিৰ দৰ্শন কৰে। তিৰুমালা তিৰুপতি দেৱস্থানমৰ  কাৰ্যবাহী বিষয়া ধৰ্ম ৰেড্ডী, মুখ্য পুৰোহিত তথা আন বিষয়াসকলে তেওঁলোকক আদৰণি জনায়। শ্ৰী শ্বাহে মন্দিৰ দৰ্শন কৰি ভগৱান শ্ৰী ৱেংকটেশ্বৰৰ আশীৰ্বাদ লয়।

০০০০০০০

কৰ্ণাটকৰ হাছানৰ জে ডি এছৰ সাংসদ প্ৰজ্বল ৰেৱান্নাক যৌন আতিশায্যৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। মিউনিকৰ পৰা কালি নিশা বেংগালুৰু আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত সাংসদগৰাকীক গ্ৰেপ্তাৰ কৰা হয়। বিশেষ অনুসন্ধানকাৰী গোটে প্ৰজ্বল ৰেৱান্নাক নিজৰ জিম্মাত লোৱাৰ পৰৱৰ্তী পৰ্যায়ত তেওঁক আদালতত হাজিৰ কৰা হ'ব। পাছত সাংসদগৰাকীক তেওঁৰ বিৰুদ্ধে উত্থাপিত হোৱা অভিযোগ সন্দৰ্ভত জেৰা কৰা হ'ব। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে সাংসদগৰাকীৰ বিতৰ্কিত ভিডিঅ' সামাজিক মাধ্যমত প্ৰচাৰিত হোৱাৰ পাছত বিশেষ অনুসন্ধানকাৰী গোট গঠন কৰা হয়। যোৱা ২৬ এপ্ৰিলত ৰেৱান্নাই বিদেশ অভিমুখে ৰাওনা হয়। ইতিমধ্যে ৰেৱান্নাই নিৰ্বাচিত জন প্ৰতিনিধিৰ বাবে নিৰ্ধাৰিত মুখ্য নগৰ আৰু সত্ৰ ন্যায়াধীশৰ আদালতত অন্তৰ্ৱৰ্তীকালীন জামিনৰ বাবে আবেদন জনাইছিল আৰু আজি এই আবেদনৰ শুনানি গ্ৰহণৰ দিন ধাৰ্য কৰা হৈছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে যে মধ্য ভাৰত আৰু দেশৰ উত্তৰ-পশ্চিম অংশত প্ৰবল গ্ৰীষ্ম প্ৰৱাহ আজিৰ পৰা লাহে লাহে হ্ৰাস পাব। হাৰিয়ানা, চণ্ডীগড়, দিল্লী, ৰাজস্থান, উত্তৰ প্ৰদেশ, বিহাৰ, ঝাৰখণ্ড, ওড়িশা আৰু পঞ্জাৱৰ কিছু অংশত গ্ৰীষ্ম প্ৰৱাহ হ্ৰাস পাবলৈ আৰম্ভ কৰিব বুলি বিভাগটোৱে সদৰি কৰিছে। অহা চাৰিদিনৰ ভিতৰত এই অঞ্চলসমূহৰ তাপমাত্ৰা সৰ্বাধিক ২ৰ পৰা ৪ ডিগ্ৰী ছেলছিয়াছ হ্ৰাস পাব বুলি বিভাগটোৱে প্ৰকাশ কৰিছে। অৱশ্যে মধ্য প্ৰদেশ বিদৰ্ভ আৰু উত্তৰাখণ্ডত আজি গ্ৰীষ্ম প্ৰৱাহ অব্যাহত থাকিব। ইতিমধ্যে বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি দক্ষিণ-পশ্চিম মৌচুমী কেৰালা তথা উত্তৰ-পূৰ্বাঞ্চলৰ অধিকসংখ্যক স্থানৰ ওপৰেৰে আগবাঢ়িছে। বিভাগটোৱে প্ৰকাশ কৰিছে যে অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু ছিকিমত পৰৱৰ্তী ছদিনত বিজুলী-ঢেৰেকণিৰে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বিহাৰ, ঝাৰখণ্ড, পশ্চিমবংগ, ওড়িশা, ছত্তিশগড়, মধ্যপ্ৰদেশ আৰু মহাৰাষ্ট্ৰত অহা ৩ দিন ধৰি একেই বতৰ অব্যাহত থাকিব। আনহাতে, দক্ষিণ ভাৰতৰ কেৰালা, কৰ্ণাটক, তামিলনাড়ু, পণ্ডীচেৰী, অন্ধ্ৰ প্ৰদেশ, তেলেংগানা, লাক্ষাদ্বীপ তথা আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জতো পৰৱৰ্তী ছদিনত মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

বিহাৰত গ্ৰীষ্ম প্ৰবাহৰ ফলত ২৯ গৰাকী লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ২০০ গৰাকীতকৈ অধিক লোক ৰোগাক্ৰান্ত হৈছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি বিগত ২৪ ঘণ্টাত ঔৰংগাবাদ জিলাৰ তাপমাত্ৰা ৪৮ ডিগ্ৰী ছেলছিয়াছ অতিক্ৰম কৰাৰ লগতে জিলাখনত ১২ গৰাকী লোকৰ মৃত্যু হয়। ইপিনে, ভোজপুৰ জিলাত ছগৰাকী তথা ৰোহতাছ আৰু জেহানাবাদ জিলাত চাৰিগৰাকীকৈ লোকৰ মৃত্যু হয়। আনহাতে, ৰাজ্যখনৰ বুক্সাৰ, আৰৱাল আৰু নালন্দা জিলাত এগৰাকীকৈ লোকৰ মৃত্যু হয়। জিলাকেইখনত নিৰ্বাচনী কৰ্তব্য সম্পন্ন কৰি থকাৰ সময়ত গ্ৰীষ্ম প্ৰবাহৰ বাবে দুগৰাকী গৃহৰক্ষী জোৱান আৰু এগৰাকী নিৰ্বাচনী কাম-কাজ কৰি থকা লোকৰ মৃত্যু হয়। জেহানাবাদ জিলাত ৪ গৰাকী শিক্ষকে গ্ৰীষ্ম প্ৰবাহৰ ফলত অচেতন হৈ পৰাৰ পাছত তেওঁলোকক চিকিৎসালয়লৈ লৈ অহা হয় যদিও তেওঁলোকক মৃত ঘোষণা কৰা হয়। উল্লেখযোগ্য যে কালি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত উষ্ণতা সৰ্বাধিক ৪৭ ডিগ্ৰী পৰ্যন্ত হোৱা বুলি তথ্য প্ৰকাশ হৈছে। ৰাজ্য চৰকাৰে অহা ৮ জুনলৈকে সকলো বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ তথা শৈক্ষিক প্ৰতিষ্ঠান বন্ধ ঘোষণা কৰিছে। অৱশ্যে শিক্ষকসকলক কৰ্তব্যত উপস্থিত থাকিবলৈ কোৱা হৈছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি অহা ২৪ ঘণ্টাত ৰাজ্যখনৰ দক্ষিণ-পশ্চিম তথা দক্ষিণ মধ্য অংশৰ উষ্ণতা বাহাল থাকিব। অৱশ্যে যোৱা ৪৮ ঘণ্টাত ৰাজ্যখনৰ উত্তৰ আৰু পূব অংশত আগতীয়া মৌচুমী বৰষুণ হোৱা বুলি বিভাগটোৱে প্ৰকাশ কৰিছে।

ooooooo

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

ooooooooo

NATO গোটৰ সদস্য ৰাষ্ট্ৰসমূহৰ বৈদেশিক মন্ত্ৰীসকলে অহা জুলাইত ৱাশ্বিংটনত হ'বলগীয়া NATO শীৰ্ষ সন্মিলনৰ প্ৰস্তুতি তথা ইউক্ৰেইনৰ প্ৰতি সমৰ্থন সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে প্ৰগত দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এখন অনানুষ্ঠানিক বৈঠকত মিলিত হ'ব। চেক গণতন্ত্ৰৰ প্ৰধানমন্ত্ৰী Petr Fiala-ৰ সৈতে এখন যুটীয়া সংবাদমেলত মত বিনিময় কৰি NATO-ৰ সচিব প্ৰধান Jens Stoltenberg-এ এই বৈঠকখনত NATO-ৰ প্ৰতিৰক্ষা শক্তিশালী কৰি তোলা মিত্ৰদেশসমূহৰ মাজৰ বন্ধুত্ব গভীৰ কৰি তোলা তথা ইউক্ৰেইনৰ প্ৰতি সমৰ্থন বৃদ্ধি কৰা সন্দৰ্ভত গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হ'ব বুলি আশা প্ৰকাশ কৰে।

ooooooo

জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাৰ বাফলিয়াজ অঞ্চলৰ মাৰাহ গাঁৱত কালি নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত গুলীয়াগুলীৰ ঘটনা সংঘটিত হয়। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি যোৱানিশা নিৰাপত্তা বাহিনীয়ে অঞ্চলটোত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ সম্ভেদ লাভ কৰে। পাছত পুঞ্চ জিলাত ছুৰাণকোট উপ-সংমণ্ডলৰ ডেহৰা কী গলিৰ সমীপত বাফলিয়াজৰ মাৰাহ গাঁৱৰ বিশেষ অঞ্চলত আৰক্ষী আৰু সেনা বাহিনীয়ে অভিযান চলায়। দলটোলৈ উদ্দেশ্যি সন্ত্ৰাসবাদীয়ে গুলীচালনা কৰাৰ প্ৰত্যুত্তৰত নিৰপত্তা বাহিনীয়েও গুলীচালনা কৰে। পাছত সন্ত্ৰাসবাদীকেইটা আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰে। ইতিমধ্যে সন্ত্ৰাসবাদীকেইটাৰ সন্ধানত অভিযান অব্যাহত আছে।

ooooooo

**সমাপ্ত**